**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং ২৯**
**উত্তৰ দিয়াৰ তাৰিখ-০৭-০৭-২০২৬**

**বিষয়ঃ আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষাৰ স্তৰ উন্নীতকৰণ সম্পৰ্কে।**

**শ্ৰী মজিবুৰ ৰহমান,বিধায়ক**

**প্ৰশ্নঃ**

মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্যত বহুত অংগনৱাদী কেন্দ্ৰৰ মূল গৃহ আৰু শৌচালয়ৰ অৱস্থা একেবাৰে অস্বাস্থ্যকৰ । গতিকে চৰকাৰে ৰাজ্যৰ প্ৰতিখন অংগনৱাদী কেন্দ্ৰৰ আন্তঃগাঁথনি উন্নয়ন কৰা ক্ষেত্ৰত কিবা পৰিকল্পনা কৰিছে নেকি ? (সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব)
(খ) ৰাজ্যৰ বেছিভাগ অংগনৱাদী কেন্দ্ৰ কৰ্মী বা সহায়িকাৰ নিজৰ মাটিত নিৰ্মাণ কৰাৰ ফলত সেই কেন্দ্ৰবোৰৰ গৃহৰ অৱস্থা ভাল নহয়। প্ৰতিটো অংগনৱাদী কেন্দ্ৰ চৰকাৰী মাটিত আৰু আন্তঃগাঁথনি উন্নয়ন কৰাৰ লগতে প্ৰাক প্ৰাথমিক পৰ্য্যায়লৈ উন্নীতকৰণ কৰি নিৰ্মাণ কৰাৰ চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি ? (সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব)

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) ইতিমধ্যে চৰকাৰে ৰাজ্যখনত ৯০৫৪টা অংগনৱাদী কেন্দ্ৰ আদৰ্শ কেন্দ্ৰ হিচাপে পুনৰ নিৰ্মাণৰ অনুমোদন জনাইছে। ইয়াৰ ভিতৰত ৪৪২৩টা অংগনৱাদী কেন্দ্ৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু ৪৬৩১টাৰ কাম চলি আছে। পৰ্য্যায়ক্ৰমে পুঁজি সাপেক্ষে এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হ'ব।

(খ) ওপৰত দিয়াৰ দৰে।

অংগনৱাদী কেন্দ্ৰ প্ৰাক প্ৰাথমিক পৰ্য্যায়লৈ উন্নীতকৰণৰ পৰিকল্পনা নাই।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

***************